আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, FEBRUARY 25, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৫৯ Guwahati, Assam ।। মূল্যঃ এটকা





কৃত্ৰিম অক্সিজেন লৈ সাগৰতলিত ময়ূৰপংখী গুজিলে প্ৰধানমন্ত্ৰীয়ে, কাষৰ ছবিত সন্মিলিত গদাযুদ্ধ ঘোষণা ৰাহুল-অখিলেশৰ

## কংগ্ৰেছ-এনপিপিৰ ৪ বিধায়কৰ বিজেপিত যোগদান

# ‘অসমৰ ৰাজনীতি’ক অৰুণাচলতো কপি-পেষ্ট



ই-সংবাদ, ইটানগৰ, ২৫ ফেব্ৰুৱাৰীঃ অসমৰ আৰ্হিৰে ৰাজনীতি আৰম্ভ হৈছে চুবুৰীয়া ৰাজ্য অৰুণাচলত। অসমৰ মন্ত্ৰী তথা বিজেপিৰ অৰুণাচল প্ৰদেশৰ নিৰ্বাচনী তত্বাৱধায়ক অশোক সিংহলে অসমৰ আৰ্হিৰে শেষাংশ ৪ পৃষ্ঠাত

## জ্যেষ্ঠ সাংবাদিক মনোজ গোস্বামীৰ ফেচবুক পোষ্টক লৈ ক্ষুব্ধ আহোম দল-সংগঠন

ই-সংবাদ, ২৫ ফেব্ৰুৱাৰীঃ জ্যেষ্ঠ সাংবাদিক তথা সাহিত্যিক মনোজ গোস্বামীৰ এটা ফেচবুক পোষ্টক লৈ ৰাজ্যত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। চিলাৰায় দিৱসৰ দিনটোত সাংবাদিক মনোজ গোস্বামীয়ে এটা পোষ্ট দি উজনি অসমৰ আহোম শেষাংশ ২ পৃষ্ঠাত

## নগাঁওবাসীক মুখ্যমন্ত্ৰীৰ একাধিক আঁচনি উপহাৰ

ই-সংবাদ, নগাঁও, ২৫ ফেব্ৰুৱাৰীঃ লোকসভা নিৰ্বাচনৰ পূৰ্বে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এদিনীয়া কাৰ্যসূচীৰে নগাঁও জিলা ভ্ৰমণ কৰি নিৰ্বাচনকেন্দ্ৰিক আঁচনি মুকলি কৰাৰ লগতে আধৰশিলা স্থাপন কৰে। আজি পুৱাৰ ভাগতে মুখ্যমন্ত্ৰীক বিজেপিৰ নেতা-কৰ্মীয়ে বাইক ৰেলী কৰি নগাঁৱলৈ আদৰণি জনায়। শেষাংশ ৩ পৃষ্ঠাত



## দ্বাৰকাত সমুদ্ৰতলিত প্ৰধানমন্ত্ৰী

আহমেদাবাদ, ২৫ ফেব্ৰুৱাৰীঃ সন্মুখত লোকসভা নিৰ্বাচন। এই নিৰ্বাচনক লৈ ইতিমধ্যে জোৰদাৰ প্ৰস্তুতি আৰম্ভ কৰিছে বিজেপিয়ে। যোৱা ২২ শেষাংশ ৩ পৃষ্ঠাত

## হাৰিয়ানাত অঘটন

## গুলীয়াই হত্যা নেতাক

চণ্ডীগড়, ২৫ ফেব্ৰুৱাৰীঃ দিনৰ পোহৰতে বিজেপি শাসিত ৰাজ্যত বিৰোধীৰ শীৰ্ষ নেতাক গুলীয়াই হত্যা কৰাৰ ঘটনাই দেশজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইণ্ডিয়ান নেশ্যনেল লোক দল চমুকৈ আইএনএলডিৰ হাৰিয়ানা প্ৰদেশৰ সভাপতি নাফে সিং শেষাংশ ৩ পৃষ্ঠাত

## ন্যায় যাত্ৰাত ৰাহুল-অখিলেশে ধৰিলে গদা

লক্ষ্ণৌ, ২৫ ফেব্ৰুৱাৰীঃ ‘ইণ্ডিয়া’ মিত্ৰজোঁটক আজি নতুন মাত্ৰা প্ৰদান কৰিলে ৰাহুল গান্ধী, অখিলেশ যাদৱে। ইণ্ডিয়া মিত্ৰজোঁট পুনৰ সু-সংগঠিত নহয় বুলি শাসকীয় বিজেপিয়ে প্ৰচাৰ কৰি থকাৰ সময়তে দেওবাৰে শেষাংশ ২ পৃষ্ঠাত

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জ্যেষ্ঠ সাংবাদিক মনোজ গোস্বামীৰ

জনগোষ্ঠীৰ ঐতিহ্যক বিকৃত ৰূপত উপস্থাপন কৰাৰ অভিযোগ উত্থাপন কৰিছে বিভিন্ন সংগঠন তথা ব্যক্তিবিশেষে৷ বিষয়টোক লৈ সামাজিক মাধ্যমত তীব্ৰ বিতৰ্কৰো সূচনা হৈছে৷ ইতিমধ্যে আহোম জনগোষ্ঠীৰ সচেতন নাগৰিক আৰু আহোম জনগোষ্ঠীৰ সংগঠনে তীব্ৰ বিৰোধ কৰা দেখা গৈছে৷ ফেচবুক দিয়া এটা পোষ্টত যোগে মনোজ গোস্বামীয়ে আহোম জনগোষ্ঠীৰ শৌৰ্য-বীৰ্যক অপমান কৰা বুলি ক'ব খোজে বিভিন্ন পক্ষই৷ মনোজ গোস্বামীয়ে ফেচবুকৰ পোষ্টত কয়, ‘‘ইতিহাসৰ পাত লুটিয়াই চালে দেখা যায়, কোঁচ ৰজা নৰনাৰায়ণ আৰু চিলাৰায়ৰ নিৰাপদ আশ্ৰয় আৰু পৃষ্ঠাপোষকতাতেই শংকৰদেৱ আৰু মাধৱদেৱে উৎকৃষ্টতম বৈষ্ণৱী সাহিত্যসমূহ ৰচনা কৰিছিল। মহাপুৰুষ দুজনাৰ প্ৰতিভা আৰু সৃষ্টিশীলতাৰ প্ৰতি নৰনাৰায়ণ আৰু চিলাৰায়ৰ আছিল অগাধ শ্ৰদ্ধা। যিটো কথা সমসাময়িক অসমৰ আনবোৰ শাসকৰ ক্ষেত্ৰত কব নোৱাৰি। উজনি আৰু মধ্য অসমত বাৰে বাৰে শংকৰদেৱ আৰু মাধৱদেৱ সেই সময়ৰ বিভিন্ন ৰজাৰ পৰা অবিশ্বাস্য হাৰাশাস্তিৰ সন্মুখীন হৈছিল। একাধিকবাৰ মৃত্যুদণ্ডৰে দণ্ডিত হৈ দুয়োজনৰ কথমপিহে প্ৰাণ ৰক্ষা পৰিছিল। নৰনাৰায়ণ আৰু চিলাৰায়ৰ প্ৰতি অসমীয়া মানুহ মাথোঁ এইকাৰণেই চিৰকৃতজ্ঞ থকা উচিত। অসমৰ মূল বুৰঞ্জীসমূহত কিন্তু নৰনাৰায়ণ আৰু চিলাৰায়ে পৰ্যাপ্ত গুৰুত্ব পোৱা নাই, যিমান পাইছে সেই নৃশংস অত্যাচাৰী নৃপতিকূলে।’’ আহোম ৰজাসকলক হিংসুক আৰু নৃশংস অত্যাচাৰীৰূপে উপস্থাপন কৰাৰ লগতে আহোম জনগোষ্ঠীৰ ঐতিহ্যক অপমান কৰা বুলি একাংশ লোকে মনোজ গোস্বামীক উভতি ধৰিছে৷ ইপিনে সদৌ টাই আহোম ছাত্ৰ সন্থাই মনোজ গোস্বামীৰ ফেচবুক পোষ্টটোক তীব্ৰ বিৰোধী কৰিছে৷ মনোজ গোস্বামী কোন বুলি প্ৰশ্ন কৰি সদৌ টাই আহোম ছাত্ৰ সন্থাই দালাল শব্দ ব্যৱহাৰ কৰে৷ মনোজ গোস্বামীয়ে অসমীয়া জাতিক ভাগ ভাগ কৰাৰ ঠিকা লোৱাৰ লগতে অসমখনক জনগোষ্ঠীয়ভাৱে ভাগ ভাগ কৰিব খোজাৰ অভিযোগ আনে সদৌ টাই আহোম ছাত্ৰ সন্থাই৷ মনোজ গোস্বামীয়ে অসমৰ বুৰঞ্জী নাজানে বুলি উল্লেখ কৰি সংগঠনটোৱে দক্ষিণপাট, কমলাবাৰী, আউনীআটি সত্ৰ কোনে স্থাপন কৰিছিল বুলি প্ৰশ্ন কৰে? সত্ৰৰ কাৰণে মাটি কোনে দিছিল আৰু নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে স্বৰ্গদেউসকলৰ ভূমিকা কি আছিল জনাটো ভাল বুলিও কয় সংগঠনটোৱে৷ মানসিকতাক লৈ প্ৰশ্ন তুলি অসমখনক ভাগ ভাগ কৰিব খোজা বুলিও অভিযোগ আনে আহোম সংগঠনটোৱে৷ আহোম অধ্যুষিত এলেকাত মনোজ গোস্বামী সম্পাদিত দৈনিক কাকতখন বৰ্জন কৰাৰ লগতে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণৰো হুংকাৰ দিয়ে সংগঠনটোৱে৷ প্ৰয়োজনত গুৱাহাটীৰ চচলত আন্দোলন কৰিব বুলিও কয় সংগঠনটোৱে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ন্যায় যাত্ৰাত ৰাহুল-অখিলেশে

যোগী আদিত্যনাথৰ ৰাজ্য উত্তৰ প্ৰদেশত ইণ্ডিয়া মিত্ৰজোঁটে শক্তি প্ৰদৰ্শন কৰে৷ ৰাজ্যখনৰ আগ্ৰাত হাজাৰ হাজাৰ লোকৰ সন্মুখত হাতে হাতে ধৰি ৰাহুল গান্ধী, অখিলেশ যাদৱে গদা ঘূৰাই বিজেপিক প্ৰত্যাহ্বান জনায়৷ ইণ্ডিয়া মিত্ৰজোঁটৰ দুই অন্যতম দল কংগ্ৰেছ আৰু সমাজবাদী পাৰ্টীৰ লগতে দেশৰ বিৰোধী দলৰ অন্যতম চেহেৰা ৰাহুল গান্ধী, অখিলেশ যাদৱ আৰু প্ৰিয়ংকা গান্ধীক আজি একেলগে দেখা গ'ল৷ সেয়াও ভাৰত জোড়ো ন্যায় যাত্ৰাত৷ ৰাহুল গান্ধীৰ ন্যায় যাত্ৰা উত্তৰ প্ৰদেশত চলি থকাৰ সময়তে আজি আগ্ৰাত ৰাজ্যখনৰ মুখ্য বিৰোধী দল তথা বিৰোধী দলপতি অখিলেশ যাদৱে ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাত অংশ লৈ গদা প্ৰদৰ্শন কৰি বিজেপিক প্ৰত্যাহ্বান জনায়৷ ইয়াৰ লগে লগে দেশৰ ভিতৰত বেছি ৮০ খন আসন থকা উত্তৰ প্ৰদেশৰ ৰাজনৈতিক পৰিস্থিতি সলনি হোৱাৰ ধাৰণা কৰিছে ৰাজনীতিৰ বিজ্ঞমহলে৷ কিয়নো সমাজবাদী পাৰ্টী আৰু কংগ্ৰেছৰ তৃণমূলৰ নেতা-কৰ্মীয়ে লোকসভা নিৰ্বাচনত একেলগে যুঁজি বিজেপিক পৰাজিত কৰাৰ সংকল্প লয়৷ উত্তৰ প্ৰদেশত সমাজবাদী পাৰ্টিয়ে ৬৩ আৰু কংগ্ৰেছে ১৭ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব৷ দুয়ো দলৰ মিত্ৰতা চূড়ান্ত হোৱাৰ পাছতে দেওবাৰে ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰাত অংশ লয় অখিলেশ যাদৱে। এই সময়ছোৱাত তেওঁলোকৰ লগত প্ৰিয়ংকা গান্ধীও উপস্থিত থাকে। উত্তৰ প্ৰদেশত প্ৰৱেশ কৰা ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাত অংশগ্ৰহণ কৰে সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱে লোকসভা জয়ী হোৱাৰ অংগীকাৰ কৰে। মন কৰিবলগীয়া যে, উত্তৰ প্ৰদেশত 'ইণ্ডিয়া' মিত্ৰজোঁটৰ ভৱিষ্যতক লৈ নানান প্ৰশ্নৰ অৱতাৰণা হৈছিল। অখিলেশ যাদৱে কংগ্ৰেছৰ সৈতে একেলগে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ ঘোষণা কৰিলেও আসন চূড়ান্ত নোহোৱা পৰ্যন্ত ন্যায় যাত্ৰাত অংশগ্ৰহণ নকৰাৰ কথা স্পষ্ট কৰি দিছিল। উত্তৰ প্ৰদেশত কংগ্ৰেছে সমাজবাদী পাৰ্টিৰ পৰা ২৮ খন আসন দাবী কৰিছিল। ইফালে কংগ্ৰেছৰ সৈতে আসনৰ ভাগ-বতৰা চূড়ান্ত হোৱাৰ পূৰ্বেই জানুৱাৰীৰ শেষৰ ফালে একপক্ষীয়ভাৱে ১৬ খন আসনৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰে অখিলেশ যাদৱে। তাৰ পিছতে দুয়োটা দলৰ মাজত মতবিৰোধ বৃদ্ধি পায় যদিও যোৱা সপ্তাহৰ শনিবাৰে কংগ্ৰেছে ৰাজ্যখনত ১৭ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সহমত প্ৰকাশ কৰে। বুধবাৰে দুয়োটা দলৰ ৰাজ্যিক নেতৃত্বই যৌথ সংবাদমেল সম্বোধন কৰি আসনৰ নিষ্পত্তিৰ কথা ঘোষণা কৰে। আজিৰ দৃশ্যই কংগ্ৰেছ আৰু সমাজবাদী পাৰ্টীৰ নেতা-কৰ্মীক উৎসাহী কৰিছে৷ কিয়নো দুয়োদলে একত্ৰে যুঁজি বিজেপিক পৰাজিত কৰিব পাৰিব বুলি ধাৰণা কৰে তৃণমূলৰ নেতা-কৰ্মীয়ে৷ ন্যায় যাত্ৰাত ভাগ লৈ অখিলেশ যাদৱে কয় যে অনাগত দিনত গণতন্ত্ৰ আৰু সংবিধান ৰক্ষা কৰাটো বৃহৎ প্ৰত্যাহ্বান হ'ব। মই ৰাইজক ধন্যবাদ জনাব বিচাৰিছো৷ ড০ বি আৰ আম্বেদকাৰৰ সপোন পূৰণ কৰিবলৈ এনেদৰে সকলোৱে ওলাই আহিব লাগিব৷ যাক বিজেপিয়ে ধ্বংস কৰিছে৷ ‘বিজেপি হাটাও, দেশ বচাও’ বুলি কয় যাদৱে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দ্বাৰকাত সমুদ্ৰতলিত প্ৰধানমন্ত্ৰী

২২ জানুৱাৰীত বহু প্ৰত্যাশিত ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কৰি হিন্দুত্ববাদী ৰাজনীতিৰ আগজাননী প্ৰদান কৰিছিল মোদী চৰকাৰে। ইয়াৰ পিছতে আজি সমুদ্ৰৰ গভীৰতাত স্থিত দ্বাৰকা চহৰত সেৱা আগবঢ়ায় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। স্কুবা ডাইভিং কৰি আৰৱ সাগৰৰ গভীৰতাত ডুব যোৱা দ্বাৰকা চহৰ দৰ্শন কৰি পানীৰ তলৰ দ্বাৰকাধীশ মন্দিৰত প্ৰাৰ্থনা জনায় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। দেওবাৰৰ দিনটো তেওঁ গুজৰাটত পাৰ কৰি প্ৰথমে ভেটে দ্বাৰকাত দেশৰ ভিতৰতে আটাইতকৈ দীঘল কেবল ষ্টেড দল 'সুদৰ্শন দলং' উদ্বোধন কৰে। ইয়াৰ পিছতে পঞ্চকুনি বিলত স্কুবা ডাইভিং কৰি সমুদ্ৰৰ বুকুত ডুব যোৱা প্ৰাগঐতিহাসিক চহৰ দ্বাৰকা ভ্ৰমণ কৰে নৰেন্দ্ৰ মোদীয়ে। এই সময়ছোৱাত তেওঁ দ্বাৰকাধীশ মন্দিৰতো সেৱা আগবঢ়ায়। প্ৰধানমন্ত্ৰীয়ে ছ'চিয়েল মিডিয়াত তেওঁৰ স্কুবা ডাইভিঙৰ অভিজ্ঞতা বৰ্ণনা কৰি কৰি লিখিছে, 'ডুব যোৱা চহৰ দ্বাৰকাত প্ৰাৰ্থনা কৰাটো এক ঐশ্বৰিক অভিজ্ঞতা আছিল। আধ্যাত্মিক অনুভৱ হৈছে। প্ৰাচীন যুগৰ সৈতে চিৰন্তন ভক্তি আৰু সংস্পৰ্শৰ অভিজ্ঞতা মই কেতিয়াও পাহৰিব নোৱাৰো।' নৰেন্দ্ৰ মোদীয়ে পুনৰ কয়, "পুৰাতত্ত্ববিদসকলে বাৰে বাৰে দ্বাৰকা চহৰৰ কথা উল্লেখ কৰিছে। সাগৰৰ তলত এই চহৰখন চাবলৈ সুযোগ পালোঁ। শ্ৰী কৃষ্ণই নিজৰ হাতেৰে এই নগৰখন নিৰ্মাণ কৰিছিল।' ইফালে প্ৰধানমন্ত্ৰীয়ে মন্দিৰ দৰ্শনৰ সময়ত তেওঁ কি কৰিছিল সেই বিষয়েও বৰ্ণনা কৰে। মোদীয়ে কয় যে দেওবাৰে লগত লৈ গৈছিল ময়ুৰৰ পাখি। সেই পাখি তেওঁ শ্ৰীকৃষ্ণৰ চৰণত ৰাখিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নগাঁওবাসীক মুখ্যমন্ত্ৰীৰ একাধিক

পোন প্ৰথমে নগাঁৰত পুনৰ নিৰ্মাণ কৰা নগাঁও ইনডৰ ষ্টেডিয়াম উদ্বোধন কৰে৷ দ্বিতীয়তে বেবেজীয়াস্থিত পালনাম থানত একশৰণ ভাগৱতী সমাজ অসমৰ কেন্দ্ৰীয় প্ৰশাসনিক ভৱনৰ আধাৰশিলা স্থাপন কৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই৷ তাৰ পাছতে নগাঁও সদৰত নগাঁও আৱৰ্ত ভৱনৰ সন্মুখত প্ৰয়াত চিত্ৰশিল্পী প্ৰণৱ বৰুৱাৰ স্মৃতিত নিৰ্মাণ কৰা প্ৰণৱ বৰুৱা কলাক্ষেত্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰে মুখ্যমন্ত্ৰীয়ে৷ প্ৰয়াত চিত্ৰশিল্পী প্ৰণৱ বৰুৱাৰ স্মৃতি যুগমীয়া কৰিবলৈ চিত্ৰশিল্পীগৰাকীৰ পৰিয়ালৰ সহযোগত কলাক্ষেত্ৰ নিৰ্মাণ কৰা হৈছিল৷ লগতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নগাঁও চহৰৰ ঐতিহ্যমণ্ডিত নেহৰুবালিৰ বাকৰিত নিৰ্মাণ কৰা পদপথৰ চাৰিসীমা আৰু উদ্যানৰ শুভ উদ্বোধন কৰে৷ আনহাতে, নগাঁও আৱৰ্ত ভৱনৰ সমীপৰ মুকলি মঞ্চ আৰু খাদ্য বিপনীসমূহ মুখ্যমন্ত্ৰী ড০ শৰ্মাই মুকলি কৰে৷ লগতে নিৰ্মাণ সম্পূৰ্ণ হোৱা নগাঁও আৰ্বত ভৱন-পানীগাঁও চাৰিআলি গৌৰৱ পথ আৰু নগাঁও আৱৰ্ত ভৱনৰ আধাৰশিলা স্থাপন আৰু বঢ়মপুৰৰ শ্বহীদ ঠগী সূত ষ্টেডিয়াম মুকলি কৰে ড০ শৰ্মাই৷ চামগুৰিত ২৫ মেগাৱাট ক্ষমতাসম্পন্ন সৌৰ শক্তি প্ৰকল্প জনগণক উৎসৰ্গা কৰে। ১০০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা প্ৰকল্পটোত উৎপাদিত শক্তি অসম চৰকাৰে ক্ৰয় কৰিব। নগাঁও চহৰৰ মৰিকলঙত নিৰ্মাণ কৰা নগাঁও জিলা বিজেপিৰ স্থায়ী কাৰ্যালয় মুকলি কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে৷ আজি মুখ্যমন্ত্ৰীৰ সৈতে মন্ত্ৰী পীয়ুষ হাজৰিকা, বিধায়ক ৰূপক শৰ্মা, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোঁহাই, বিধায়ক জিতু গোস্বামী উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুলীয়াই হত্যা নেতাক

ৰাঠীক দেওবাৰে হাৰিয়ানাৰ ঝাজ্জৰ জিলাত অচিনাক্ত দুৰ্বৃত্তই নিচেই ওচৰৰ পৰা গুলীয়াই হত্যা কৰে৷ প্ৰাক্তন বিধায়ক নাফে সিং ৰাঠীক এখন বাহনত যাত্ৰা কৰি থকাৰ সময়তে ঝাজ্জৰৰ বাহাদুৰগড় চহৰত নিৰ্বিচাৰ গুলীচালনা কৰি হত্যা কৰা হয়৷ ঝাজ্জৰ জিলাত ৰাঠীক গুলীয়াই হত্যা কৰাৰ কথা নিশ্চিত কৰিছে আইএনএলডি নেতা অভয় চৌটালাই। ৰাঠিৰ জীৱনৰ প্ৰতি ভাবুকি অহাৰ পাছতো চৰকাৰে নিৰাপত্তা প্ৰদান কৰাত ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন কৰি ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ পদত্যাগ দাবী কৰে অভয় চৌটালাই৷ আৰক্ষীয়ে বিষয়টো তদন্ত আৰম্ভ কৰিছে। দিনৰ পোহৰত এই আক্ৰমণৰ বাতৰি বিয়পি পৰাৰ লগে লগে ৰাজ্যত তীব্ৰ উত্তেজনা বিয়পিছে। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা খালী বুলেট আৰু অন্যান্য প্ৰমাণ সংগ্ৰহ কৰিছে। আক্ৰমণকাৰীসকল কোন ফালৰ পৰা আহিছিল আৰু ঘটনাটোৰ পিছত কোন দিশে গৈছিল? সেই কথা জানিবলৈ সমগ্ৰ অঞ্চলটোৰ ৰাস্তা আৰু দোকানৰ বাহিৰত স্থাপন কৰা চিচিটিভি কেমেৰাৰ ফুটেজ পৰীক্ষা কৰাৰ প্ৰস্তুতি চলিছে। ঝাজ্জৰৰ আৰক্ষী অধীক্ষক অৰ্পিত জৈনে কয় যে আমি গুলীচালনাৰ ঘটনাৰ বিষয়ে তথ্য লাভ কৰিছো। অপৰাধ অনুসন্ধান সংস্থা আৰু বিশেষ টাস্ক ফ'ৰ্চে অভিযান আৰম্ভ কৰিছে। অভিযুক্তক সোনকালেই গ্ৰেপ্তাৰ কৰা হ'ব। কংগ্ৰেছ নেতা ভূপিন্দৰ সিং হুডাই কয় যে হাৰিয়ানাত আইএনএলডিৰ ৰাজ্যিক সভাপতি নাফে সিং ৰাঠীক গুলীচালনাৰ খবৰ অতি দুখজনক। ঘটনাই ৰাজ্যখনৰ আইন-শৃংখলাজনিত পৰিস্থিতি উদাঙাইছে। ঘটনাই স্পষ্ট কৰে যে হাৰিয়ানাত আইন-শৃংখলা প্ৰণালী দেউলিয়া হৈছে। আজি ৰাজ্যখনত কোনেও সুৰক্ষিত অনুভৱ কৰিব নোৱাৰা হৈছে বুলিও কয় ভূপিন্দৰ সিং হুডাই৷ আইএনএলডি মিডিয়া চেলৰ মুৰব্বী ৰাকেশ চিহাগে ডিঙি আৰু কঁকালত গুলী লাগি নাফে সিং ৰাঠীৰ মৃত্যু নিশ্চিত কৰিছে। আক্ৰমণ সংঘটিত হোৱাৰ সময়ত আক্ৰমণকাৰীসকল এখন আই-২০ গাড়ীত আহিছিল আৰু ৰাঠিয়ে ফৰ্চুনাৰ গাড়ীত আছিল বুলি কয়। গেংষ্টাৰ লৰেন্স বিষ্ণোই আৰু তেওঁৰ ঘনিষ্ঠ সহযোগী কালা জাথেদী এই ঘটনাৰ আঁৰত থকাৰ সন্দেহ কৰা হৈছে। প্ৰাৰম্ভিক অনুসন্ধানত, হত্যাৰ আঁৰত সম্পত্তিৰ বিবাদ আছে বুলি কোৱা হৈছে। নাফে সিং ৰাঠী নিজেই বাহাদুৰগড়ৰ এজন আইএনএলডি বিধায়ক আছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

## ‘অসমৰ ৰাজনীতি’ক

ৰাজনীতি আৰম্ভ কৰিছে। এই আৰ্হি হৈছে বিৰোধীহীন ৰাজনীতি। অৰুণাচলত বিৰোধী বিধায়কক শাসকীয় দললৈ নি বিৰোধীক নিঃশেষ কৰাৰ ৰাজনীতি আৰম্ভ কৰিছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ অশোক সিংহলে। অশোক সিংহলক বিজেপিয়ে লোকসভা নিৰ্বাচনৰ বাবে অৰুণাচল প্ৰদেশৰ নিৰ্বাচনী তত্বাৱধায়ক নিযুক্তি দিয়াৰ পাছতে সক্ৰিয় হৈছে বিজেপি। তাৰ প্ৰমাণ পোৱা গ'ল আজি। অশোক সিংহলৰ নেতৃত্বত আজি বিৰোধীৰ চাৰি বিধায়কে বিজেপিত যোগদান কৰে। বিজেপিত যোগদান কৰা বিধায়কসকলৰ ভিতৰত দুজন কংগ্ৰেছৰ আৰু দুজন মেঘালয়ৰ শাসকীয় দল নেচনেল পিপলছ পাৰ্টিৰ। কংগ্ৰেছৰ বিধায়ক নিনোং এৰিং আৰু ৱাংলিন ল'নডং আৰু এনপিপিৰ বিধায়ক মুটচু মিথি আৰু গোকাৰ বাছাৰে বিজেপিত যোগদান কৰে। ৬০ জনীয়া অৰুণাচল প্ৰদেশ বিধানসভাত বিজেপিৰ সদস্য ৫৬ জনলৈ বৃদ্ধি পালে। ইয়াৰ লগে লগে একপ্ৰকাৰ বিৰোধবিহীন হৈ পৰিল অৰুণাচলৰ বিধানসভা। ৬০ আসনৰ বিধানসভাত ৫৬গৰাকী বিধায়কে শাসকীয় বিজেপিৰ। লোকসভা নিৰ্বাচনৰ পূৰ্বে বিৰোধী বিধায়কে বিজেপিত যোগদান কৰাত বিধানসভাত বিজেপিৰ শক্তি বৃদ্ধিৰ লগতে লোকসভাত বিজেপি জয়ী হোৱাৰ নিশ্চিয়তা বৃদ্ধি পালে। মুখ্যমন্ত্ৰী পেমা খাণ্ডু, অসমৰ মন্ত্ৰী আৰু অৰুণাচলৰ বিজেপিৰ নিৰ্বাচনী তত্বাৱধায়ক অশোক সিংহলৰ উপস্থিতিত ৰাজধানী ইটানগৰত আয়োজিত এক অনুষ্ঠানত চাৰি বিধায়কে বিজেপিত যোগদান কৰে। বিজেপিয়ে ২০১৯ চনৰ বিধানসভা নিৰ্বাচনত ৪১ খন আসন লাভ কৰিছিল।

## বাতৰি প্ৰকাশ নকৰাৰ সিদ্ধান্ত মণিপুৰৰ সংবাদ সংস্থাৰ!

**ইম্ফল, ২৫ ফেব্ৰুৱাৰীঃ** হিংসা জৰ্জৰিত মণিপুৰত সাংবাদিক আৰু সংবাদ প্ৰতিষ্ঠানৰ স্বাধীনতা হৰণৰ অভিযোগৰ মাজতে বৃহৎ সিদ্ধান্ত লৈছে সংবাদ প্ৰতিষ্ঠানসমূহে। এই অনুযায়ী আজিৰে পৰা ৰাজ্যখনৰ প্ৰায় প্ৰতিটো সংবাদ প্ৰতিষ্ঠানে বাতৰিৰ প্ৰকাশ আৰু সম্প্ৰচাৰ বন্ধ কৰিছে। মণিপুৰৰ সকলো সংবাদ প্ৰতিষ্ঠানে আজিৰ পৰা বাতৰিৰ প্ৰকাশ আৰু সম্প্ৰচাৰ বন্ধ কৰি দিয়াৰ সিদ্ধান্ত লোৱা বুলি জানিব পৰা গৈছে। প্ৰাপ্ত বাতৰি মতে, সংবাদ প্ৰতিষ্ঠানে কাৰ্যালয়ত সকলো কাম বন্ধ কৰি দিছে। মণিপুৰৰ সাংবাদিক সংগঠনসমূহে এই কথা স্বীকাৰ কৰিছে যদিও আঁৰৰ কাৰণ প্ৰকাশ কৰিবলৈ অস্বীকাৰ কৰে। হিংসা অব্যাহত থকাৰ সময়তে মণিপুৰত সংবাদ মাধ্যমৰ স্বাধীনতাৰ বিষয়টোৱে চৰ্চা হৈ আহিছে।

# ২২ বছৰৰ অন্তত আৰক্ষীৰ জালত পৰিল শিক্ষকৰূপী জেহাদী

## ২০০১ চনতেই ৰুজু হৈছিল ৰাষ্ট্ৰদ্ৰোহৰ গোচৰ

**নতুন দিল্লী, ২৫ ফেব্ৰুৱাৰীঃ** আৰক্ষীৰ চকুত ধূলি দি বিগত ২২ বছৰে আত্মগোপন কৰিবলৈ সক্ষম হোৱা এটা নিষিদ্ধ সন্ত্ৰাসবাদী সংগঠনৰ এজন মষ্ট ৱাণ্টেড কেডাৰক অৱশেষত গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হ'ল দিল্লী আৰক্ষী। বাৰে বাৰ নাম আৰু ঠিকনা সলাই আত্মগোপন কৰি থকা সন্ত্ৰাসবাদীজনে নিজৰ নাম সলনি কৰি এখন বিদ্যালয়ত শিক্ষকতাও কৰিছিল। কিন্তু গোপন খবৰ আৰু দিল্লী আৰক্ষীৰ কঠোৰ পৰিশ্ৰমৰ পৰিণামস্বৰূপে অৱশেষত ২২ ফেব্ৰুৱাৰীত গ্ৰেপ্তাৰ হয় হানিফ শ্বেখ নামৰ এই সন্ত্ৰাসবাদীজন। আৰক্ষী সূত্ৰ অনুসৰি, নিষিদ্ধ উগ্ৰপন্থী ছাত্ৰ সংগঠন ষ্টুডেণ্ট ইছলামিক মুভমেণ্ট অৱ ইণ্ডিয়া চমুকৈ চিমিৰ সৈতে জড়িত আছিল হানিফ শ্বেখ। কিন্তু ২০০১ চনত তেওঁৰ বিৰুদ্ধে ৰাষ্ট্ৰদ্ৰোহৰ গোচৰ ৰুজু হোৱাৰ পিছৰে পৰা পলাতক হৈ আছিল এইজন অভিযুক্ত। হানিফক গ্ৰেপ্তাৰ কৰিবলৈ আৰক্ষীৰ বিশেষ দলো গঠন কৰা হয় যদিও আৰক্ষীয়ে সফলতা লাভত ব্যৰ্থ হয়। ইফালে এই সুদীৰ্ঘ সময়ছোৱাত নাম সলনি কৰি বেলেগ বেলেগ ঠাইত আত্মগোপন কৰি আহিছিল হানিফে। আনকি নিজৰ নাম মহম্মদ হানিফ কৰি ভূছাৱালত এখন উৰ্দু মাধ্যমৰ পৌৰসভাৰ বিদ্যালয়ত শিক্ষকতাও কৰি আছিল হানিফে। কিন্তু এই বিষয়ে দিল্লী আৰক্ষীয়ে গোপন খবৰৰ জৰিয়তে তথ্য লাভ কৰাৰ পিছতে অভিযান চলাই ২২ ফেব্ৰুৱাৰীত তেওঁক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে, ১৯৯৭ চনত হানিফ শ্বেখে মাৰুল জলগাঁৱত কলেজীয়া শিক্ষা সমাপ্ত কৰে। সেই বছৰতে তেওঁ চিমিত যোগদান কৰিছিল। তেওঁ উগ্ৰপন্থী সংগঠনটোৰ সক্ৰিয় সদস্য হিচাপে কাম কৰিবলৈ আৰম্ভ কৰে। তেওঁৰ এই উৎসাহ দেখি তেতিয়াৰ চিমিৰ মুৰব্বী চাহিদ বদৰে ২০০১ চনত হানিফক 'ইছলামিক আন্দোলন'ৰ উৰ্দু সংস্কৰণৰ সম্পাদক হিচাপে নিযুক্তি দিয়ে। অভিযোগ কৰা হৈছিল যে হানিফৰ বহু লেখাই 'যুৱ সমাজ'ক প্ৰভাৱিত কৰিছে। আৰক্ষীৰ মতে, হানিফে আগতে ভুল তথ্য দি মানুহৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিছিল। ২০০১ চনত দিল্লীৰ জাকিৰ নগৰত থকা চিমিৰ মুখ্য কাৰ্যালয়ত আৰক্ষীয়ে অভিযান চলাইছিল। অৱশ্যে হানিফৰ লগতে আন দুই এজনে আৰক্ষীৰ পৰা পলায়ন কৰিবলৈ সক্ষম হয়। গ্ৰেপ্তাৰৰ পৰা হাত সাৰিবলৈ হানিফে নাম আৰু বাসস্থান সলাইছিল।

## মঙলদৈ ৰাজীৱ ভৱনত দৰং কংগ্ৰেছৰ বৰ্ধিত কাৰ্যনিৰ্বাহকত ভূপেন বৰা

# কম বয়সৰ লোকৰ ভৰিত ধৰা বিধায়ক বসন্ত দাস 'কাপুৰুষ'

**ই-সংবাদ, মঙলদৈ, ২৫ ফেব্ৰুৱাৰীঃ** কংগ্ৰেছৰ দৰং জিলাৰ নেতা তথা মঙলদৈৰ বিধায়ক বসন্ত দাসে কংগ্ৰেছ ত্যাগ কৰাৰ পাছতে আজি দৰং জিলা ভ্ৰমণ কৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই৷ আজি ভূপেন বৰাৰ উপস্থিতিত মঙলদৈ ৰাজীৱ ভৱনত দৰং জিলা কংগ্ৰেছৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়৷ দৰং জিলা কংগ্ৰেছৰ সভাপতি মাধৱ ৰাজবংশী, প্ৰদেশ কংগ্ৰেছৰ সম্পাদিকা ৰাহিদা আহমেদ, শোণিতপুৰ জিলা কংগ্ৰেছৰ সভাপতি দাদুল বৰকটকী আৰু জিলাৰ কংগ্ৰেছৰ প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত সভাত জিলা কংগ্ৰেছক অধিক শক্তিশালী কৰাৰ সংকল্প লয়৷ বিজেপিয়ে মহিলাক ১২৫০ টকা দিয়াৰ বিপৰীতে কংগ্ৰেছ চৰকাৰ গঠন হ'লে অসমত ন-লখিমী আঁচনি ৰূপায়ন কৰি ২৫০০ টকাকৈ দিয়াৰ ঘোষণা কৰে বৰাই৷ সভাত ভাষণ প্ৰদান কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই বসন্ত দাসক কাপুৰুষ আখ্যা দিয়ে৷ বসন্ত দাসে কাপুৰুষৰ দৰে নিজতকৈ কম বয়সৰ মানুহৰ ভৰিত ধৰাৰ অভিযোগ আনে ভূপেন বৰাই৷ ভূপেন বৰাই কয় 'ছয় জনগোষ্ঠীৰ জনজাতিকৰণ কৰা নহ'ল৷ আজি টিভিৰ টকশ্বত ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ কথা আলোচনা নহয়৷ সেই বাবে বসন্ত দাসে মুখ্যমন্ত্ৰীৰ ভৰিত ধৰা ফটোখন দিনে-ৰাতিয়েই দেখা থাকো৷ মঙলদৈৰ উচ্চ শিক্ষিত মানুহে যাক ভোট দিছিল৷ মঙলদৈৰ সংস্কৃতিবান মানুহে যাক ভোট দিছিল৷ যাৰ ডিঙিত এখন গামোচ দিছিল৷ সেইজন মানুহে কাপুৰুষৰ দৰেনিজতকৈ কম বয়সৰ মানুহৰ ভৰিত ধৰিছো৷ এয়া মঙলদৈবাসীৰ বাবে আত্মসন্মান আৰু স্বাভিমানৰ প্ৰশ্ন?' সভাপতি বৰাই আৰু কয় যে ৪৫ দিনমান পাছত নতুন চৰকাৰ গঠন হ'ব৷ ইয়াকে লৈ দেশৰ ৰাজনীতি দুটা ভাগত বিভক্ত হৈছে৷ ইণ্ডিয়া মিত্ৰজোঁটত কংগ্ৰেছ৷ বিজেপিৰ




নেতৃত্বাধীন এনডিএ৷ দেশৰ নাগৰিকে এনডিএ নাইবা ইণ্ডিয়াক ভোট দিব লাগিব৷ মোৰ এই কথাত সম্পূৰ্ণ বিশ্বাস যে এইবাৰ দেশৰ নাগৰিকে ব্যক্তিগত স্বাৰ্থ, ৰাজনৈতিক স্বাৰ্থ পৰিহাৰ কৰি ইণ্ডিয়াক ভোটদান কৰিব৷ দেশৰ স্বাৰ্থত, দেশৰ জনগণৰ স্বাৰ্থত, দেশৰ সংবিধানৰ বাবে ৰাইজে ভোটদান কৰিব৷ এই লোকসভা নিৰ্বাচন, আগৰ নিৰ্বাচনৰ দৰে নহ'ব৷ আমাৰ দেশ স্বাধীন হোৱাৰ পাছত সংবিধানসভাৰ কাৰণে নিৰ্বাচন হৈছিল৷ এইবাৰ নিৰ্বাচনত আমি লোকসভাৰ বাবে সাংসদ নিৰ্বাচিত কৰাৰ লগতে দেশৰ সংবিধান ধৰ্মনিৰপেক্ষ হৈ থাকিব লাগিব নে নালাগে তাৰ বাবে ভোটদান কৰিব লাগিব৷ সমাজবাদ আৰু ধৰ্মনিৰপেক্ষতাৰ স্বাৰ্থত ভোট দিবলৈ হ'লে ইণ্ডিয়াক ভোট দিব লাগিব৷ যদি সমাজবাদ আৰু ধৰ্মনিৰপেক্ষতাৰ বিৰুদ্ধে ভোট দিব লাগে তেন্তে বিজেপিক দিব লাগিব৷ কংগ্ৰেছ এৰি অইন দললৈ যোৱা নেতাসকলক উদ্দেশ্যে ভূপেন বৰাই কয় যে ইজন নেতা গ'ল, সিজন নেতা গ'ল৷ বহুতে কয় কংগ্ৰেছৰ কি হ'ব৷ মই তিনি বছৰে কংগ্ৰেছৰ সভাপতি হ'লো৷ আজি মই দৰং জিলাৰ সভাত কংগ্ৰেছীৰ যিমান উৎসাহ দেখিছো, আগতেসেই উৎসাহ দেখা নাছিলো৷ আগতে মই আহিলে সেমেনা-সেমেনি কৰা হয়, আজি মই উৎসাহ দেখিছো৷ ডাঙৰ বিপ্লৱ বেছি মানুহে আৰম্ভ নকৰে৷ কেইজনামন মানুহেই কৰে৷ কংগ্ৰেছৰ যদি সঁচাকৈয়ে অৱস্থা বেয়া, তেন্তে ভাৰত জোড়ো যাত্ৰাৰসময়ত কংগ্ৰেছক আক্ৰমণ কৰা হ'ল কিয়? বাধা দিয়া হৈছিল কিয়? মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাম নাম ল'ব এৰি কংগ্ৰেছৰ নাম লৈ থাকে কিয়ে? ৰাজনীতিত সকলোৰে স্বাৰ্থ থাকে৷ ৰাজনৈতিক, ব্যক্তিগত স্বাৰ্থ থাকে৷ কিন্তু এইবাৰৰ নিৰ্বাচনত ব্যক্তিগত স্বাৰ্থ থাকিব নোৱাৰে৷ আমাৰ মহাপুৰুষসকলে যি বলিদান দি সংস্কৃতি, পৰম্পৰা, সম্প্ৰীতি দি থৈ গৈছিল সেইবোৰ বচাবলৈ এইবাৰ ভোটদান কৰিব লাগিব৷ কংগ্ৰেছত যিসকলে বেয়া দিন চলি থকা বুলি কয়৷ যিসকলে কংগ্ৰেছৰ বেয়া দিন দেখিছে, সেইসকলে অসমৰ মানুহৰ বেয়া অৱস্থা দেখা নাই৷ কংগ্ৰেছে কেতিয়াও ভালদিন আৰু বেয়া দিন দিন নাথাকে৷ ভূপেন বৰাই কংগ্ৰেছৰ জন্মৰ সময়ত কংগ্ৰেছ নেতা মহাত্মা গান্ধী, জৱাহৰলাল নেহেৰু জেলেলৈ যাবলগীয়া হৈছিল বুলি কয়৷ ভূপেন বৰাই আৰু কয় যে আমাৰ নেতা কনকলতা, কুশল কুঁৱৰ, কোনোবাই ফাঁচী কাঠত ওলমিছিল৷ কোনোবাই বুকুত গুলী পাতি লৈছিল৷ তেতিয়া কি ভাল দিন আছিল৷ কংগ্ৰেছীসকলে যে ফাচি কাঠিত ওলমিছিল৷ কংগ্ৰেছৰ পতাকা হাতত লৈ কনকলতাই যে বুকুত গুলী পাতি লৈছিল৷ তেনেকৈয়ে কংগ্ৰেছে এতিয়া সংগ্ৰাম কৰাৰ সময়৷ গাঁৱৰ মানুহক ভাত লাগে, বিজেপিয়ে জাতৰ কথা কয়৷ আমাক কৰ্ম, কাম লাগে৷ বিজেপিয়ে ধৰ্মৰ কথা কয়৷

## তিতাবৰ সমষ্টিত টিকট প্ৰদানৰ বিজেপিৰ অফাৰ গ্ৰহণ!

# দলৰ উজনি অসমৰ দায়িত্ব এৰিলে ৰাণা গোস্বামীয়ে

**ই সংবাদ, ২৫ফেব্ৰুৱাৰীঃ** দল এৰিব বুলি জল্পনা-কল্পনাৰ মাজতে কংগ্ৰেছৰ উজনি অসমৰ প্ৰভাৱশালী নেতা ৰাণা গোস্বামীয়ে পদত্যাগ কৰাৰ ঘোষণা কৰিছে৷ উজনি অসম কংগ্ৰেছৰ ভাৰপ্ৰাপ্ত সাংগঠনিক মুৰব্বীৰ দায়িত্ব ত্যাগ কৰাৰ ঘোষণা কৰি কংগ্ৰেছ সভাপতি ভূপেন বৰাক পদত্যাগ পত্ৰ প্ৰদান কৰিছে৷ কিন্তু গোস্বামীয়ে ৰাজ্যিক কংগ্ৰেছৰ কাৰ্যকৰী সভাপতিৰ পদ এৰা নাই৷ ৰাণা গোস্বামীৰ অধীনত আছিল ধেমাজি, উত্তৰ লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ চাৰিআলি আদি জিলাৰ দায়িত্ব লৈ আছিল৷ এই জিলা কেইখনৰ সাংগঠনিক দায়িত্ব আছিল ৰাণা গোস্বামীৰ হাতত৷ কিন্তু বিজেপি গমন কৰিব বুলি চৰ্চা চলি থকাৰ সময়তেৰাণা গোস্বামীয়ে উজনি অসম কংগ্ৰেছৰ ভাৰপ্ৰাপ্ত সাংগঠনিক মুৰব্বীৰ পদ ত্যাগ কৰে৷ চৰ্চা মতে, গোস্বামীয়ে শীঘ্ৰে কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগদান কৰিব৷ বিজেপিয়ে ৰাণা গোস্বামীক ২০২৬ চনৰ বিধানসভাৰ নিৰ্বাচনত যোৰহাটৰ তিতাবৰ সমষ্টিত টিকট দিব বুলি আশ্বাস দিয়া বুলি এটা সূত্ৰই প্ৰকাশ কৰিছে৷ অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা ৰাজনৈতিক কাৰণত ধেমাজি, উত্তৰ-লখিমপুৰ, শোণিতপুৰ আৰু বিশ্বনাথ চাৰিআলি জিলাকে ধৰি উজনি অসমৰ সাংগঠনিক ভাৰপ্ৰাপ্ত দায়িত্বৰ পৰা পদত্যাগ কৰা বুলি উল্লেখ কৰে৷ ২৪ ফেব্ৰুৱাৰীৰ সন্ধিয়া ৰাণা গোস্বামীৰ টকলাইস্থিত গৃহত এখন সভা অনুষ্ঠিতহয়। উক্ত সভাত দলৰ ভিতৰত গুৰুত্ব নোপোৱাৰ কথা প্ৰকাশ কৰি লোকসভা নিৰ্বাচনৰ পূৰ্বে দল ত্যাগ কৰাৰ সিদ্ধান্ত লৈছে গোস্বামীয়ে। ২০০৬ আৰু ২০১১ চনত যোৰহাট সমষ্টিৰ পৰা অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল। ২০২১ চনৰ ২৪ জুলাইত অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি নিযুক্ত দিয়া হয়। শেহতীয়াকৈ কংগ্ৰেছৰ কেইবাজনো নেতাই শাসকীয় বিজেপিত যোগদান কৰিছে৷ তেনে সময়তে ৰাণা গোস্বামীয়েও বিজেপিত যোগদান কৰিব বুলি চৰ্চা হ'ব ধৰিছে৷



কৰ্ণাটকৰ প্ৰভাৱশালী বিজেপি নেতা মালভে গৌড়াৰ কংগ্ৰেছত যোগদান, দেওবাৰে বাংগালুৰুত

# প্ৰাথমিক পৰ্যায়ত তিৱা ভাষা প্ৰৱৰ্তনৰ কেবিনেট সিদ্ধান্তক তিৱা সাহিত্য সভাৰ আদৰণি

**ই-সংবাদ, মৰিগাঁও, ২৫ ফেব্ৰুৱাৰীঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন কেবিনেটে তিৱা, ৰাভা, মিচিং, দেউৰী, ডিমাচা আৰু কাৰ্বি ভাষাক বিদ্যালয়ৰ প্ৰাথমিক পৰ্যায়ত শিক্ষাৰ মাধ্যম হিচাপে প্ৰয়োগ কৰিবলৈ লোৱা সিদ্ধান্তক তিৱা মাথন্‌লাই তখ্ৰা অৰ্থাৎ তিৱা সাহিত্য সভাই আন্তৰিকতাৰে আদৰণি জনাইছে। তিৱা মাথনলাই তখ্ৰাৰ সভাপতি দীপেন্দ্ৰ নাথ বৰদলৈ, উপ-সভাপতি শৰৎ চন্দ্ৰ পাতৰ আৰু সাধাৰণ সম্পাদক ড০ বিদ্যুৎ বিকাশ সেনাপতিয়ে এক বিবৃতিযোগে কেবিনেট সিদ্ধান্তক আদৰণি জনায়। আজি তিৱা মাথনলাই তখ্ৰাৰ কৰ্ণধাৰ সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত অসম চৰকাৰে তিৱা, ৰাভা, মিচিং, দেউৰী, ডিমাচা আৰু কাৰ্বি ভাষাক বিদ্যালয়ৰ প্ৰাথমিক পৰ্যায়ত শিক্ষাৰ মাধ্যম হিচাপে প্ৰয়োগ কৰিবলৈ লোৱা সিদ্ধান্তক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। তিৱা মাথন্‌লাই তখ্ৰাই খিলঞ্জীয়া জনজাতীয় সাহিত্য সভাই দীৰ্ঘ দিনৰ পৰা কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ওচৰত এই দাবী উত্থাপন কৰি আহিছিল বুলি প্ৰকাশ কৰি খিলঞ্জীয়া জনজাতীয় সাহিত্য সাহিত্য সভাৰ সচিব প্ৰধান কমলাকান্ত মুছাহাৰী আৰু সভাপতি গোবিন্দ টাইডৰ লগতে ৰাজ্যিক নেতৃত্বক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছে তিৱা সাহিত্য সভাই। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু আৰু আন আন মন্ত্ৰীসকলক এই ক্ষেত্ৰত গ্ৰহণ কৰা উদ্যোগ আৰু সদিচ্ছাকো বিশেষভাৱে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে তিৱা সাহিত্য সভাই।

# নগাঁৱৰ চলচলিৰ কাতিমাৰীত ইংৰাজী মাধ্যমৰ বিদ্যালয় মুকলি

**দীপশিখা বৰা, নগাঁও, ২৫ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ চলচলিৰ কাতিমাৰীত আজি নগাঁও ৰয়েল একাডেমী নামৰ ইংৰাজী মাধ্যমৰ বিদ্যালয় এখনি আনুষ্ঠানিকভাৱে শুভাৰম্ভণি কৰা হয়। গ্ৰামাঞ্চলটোৰ উচ্চ শিক্ষিত তথা শিক্ষানুৰাগী কেইবাগৰাকীও লোকৰ প্ৰচেষ্টাত ভিতৰুৱা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে যাতে কম খৰচত ইংৰাজী মাধ্যমত পঢ়িব পাৰে সেই উদ্দেশ্যে আগত ৰাখি এই শিক্ষানুষ্ঠানখন মুকলি কৰা হয়। নতুনকৈ স্থাপিত বিদ্যালয়খনত অভিজ্ঞতা সম্পন্ন শিক্ষকৰ দ্বাৰা পাঠদান কৰোৱাৰ লগতে উন্নত মানদণ্ডৰ শ্ৰেণীকোঠাৰ লগতে বিদ্যালয় চৌহদতে হোষ্টেলৰ ব্যৱস্থা থকাৰ লগতে দৰিদ্ৰ শ্ৰেণীৰ লোকসকলৰ বাবে জলপানীৰ ব্যৱস্থাও উপলব্ধ আছে। শিক্ষানুষ্ঠানখনৰ শুভাৰম্ভণি উপলক্ষে আয়োজিত সভাত সভাপতিত্ব কৰে জেষ্ঠ চিকিৎসক ডাঃ ছফিকুল ইছলামে।




সেই সভাত ৰূপহীহাট বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক মজিবুৰ ৰহমান, ধিং সমষ্টিৰ প্ৰাক্তন বিধায়ক মোবাৰক আলী পাঠান, লংকা শিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মুস্তাফিজুৰ ৰহমান, পুৰণিগুদাম কলেজৰ অধ্যাপক ড° আচাদুদ জামান, অধ্যাপক আব্দুল বাতেন, পি এম ৰাইনা, আজমল ফাউণ্ডেশ্যনৰ উন্নয়ণ বিষয়া ছুৰহাব আলী, সমাজকৰ্মী ডাঃ আনোৱাৰ হুছেইন চৌধুৰী, ডাঃ মফিজুৰ ৰহমান, ভকতগাঁও পঞ্চায়তৰ সভাপতি চাহাব উদ্দিন আহমেদ, গাঁও প্ৰধান ললিতা লস্কৰ, বিশিষ্ট সমাজসেৱক আব্দুল মতিন চৌধুৰী আৰু ছাইদুল ইছলামকে ধৰি কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থকা সভাখনি সামগ্ৰিকভাৱে আঁত ধৰি আগবঢ়াই নিয়ে নগাঁও ৰয়েল একাডেমীৰ অধ্যক্ষ ড°মোৱাজ্জেম হুছেইন কবিৰে।

# চালক অবিহনে ৰে'ল চলিল ১০০কিলোমিটাৰ বেগত

**ই সংবাদ, ২৫জানুৱাৰীঃ** আজৰ কাণ্ড সংঘটিত হ'ল দেশত৷ চালক অবহিনে এখন মালবাহী ৰে'ল ১০০ কিলোমিটাৰ গতিত চলিব ধৰাৰ দৰে ঘটনা সংঘটিত হৈছে পঞ্জাৱৰ পাঠানকোট এলেকাত৷ পঞ্জাৱৰ কাষৰ পাঠানকোটৰ ডামতালৰ পৰা এখন মালবাহী ৰে'ল চালক অবিহনে চলিবলৈ ধৰে৷ ১০০ কিলোমিটাৰ বেগত চলিবলৈ আৰম্ভ কৰা মালবাহী ৰেলখনত নাছিল কোনো চালক। অৰ্থাৎ মালবাহী ৰেলখন চালক অবিহনে ট্ৰেকত চলি আছিল৷ এই কথা প্ৰচাৰ হোৱাৰ পাছতে হুৰা-দুৰা লাগে৷ যথেষ্ট প্ৰয়াসৰ অন্তত তীব্ৰ গতিৰ ৰেলখন বাচীত ৰখাবলৈ সক্ষম হয়। চালক অবিহনে চলি থকা ৰেলখনক লৈ কেইবাটাও ষ্টেচনত ঘোষণা কৰা হৈছিল৷ ট্ৰেক খালী কৰিবলৈ আবেদন কৰা হৈছিল। তথ্য অনুসৰি উচি বাচীত বিদ্যুৎ যোগান বন্ধ কৰি ৰে'লখন ৰখাই দিয়া হৈছিল৷ যাৰ ফলত বৃহৎ দুৰ্ঘটনা সংঘটিত হোৱাৰ পৰা ৰক্ষা পৰে৷ ফলত ৰে'ল প্ৰশাসনে স্বস্তিৰ নিশ্বাস পেলায়। জানিব পৰা মতে, চালক অবিহনে ৰেল চলিবলৈ আৰম্ভ কৰা ৰেলখন কাঠুৱা ৰেলষ্টেচনত থিয় হৈ আছিল৷ কিন্তু স্বয়ংক্ৰিয়ভাৱে ইঞ্জিন চলিবলৈ আৰম্ভ কৰিছিল। ৰেলখন চিগনেল অবিহনে গতি লোৱাৰ কথা কাঠুৱা ৰেল ষ্টেচন কৰ্তৃপক্ষ অৱগত হয়। ৰেলখন কাঠুৱা ৰেল ষ্টেচনৰ ওলাই যোৱাৰ পাছতে ৰে'ল লাইন জলন্ধৰলৈ মুকলি কৰা হয়। ৫৩ কোচৰ ৰেলখন শিল ভৰ্তি আছিল। মালবাহী ৰেলখন ৰখাবলৈ বিশেষ ব্যৱস্থা লোৱা হয়। জলন্ধৰৰ ওচৰৰ উচনি বাচী গাঁৱত দ্ৰুত গতিত চলি থকা ৰেলখন নিজেই ৰৈ গৈছিল। চালক অবিহনে কাঠুৱাৰ পৰা প্ৰায় ৭০ কিলোমিটাৰ যাত্ৰা কৰাৰ পিছত মালবাহী ৰেলখনৰ বিদ্যুৎ সংযোগ ব্যাহত কৰা দিয়াত নিজে নিজেই ৰৈ যায়৷ ঘটনাক লৈ তদন্ত কৰিব ৰে'ল বিভাগে৷

# আপৰ 'অসমতো কেজৰিৱাল' কাৰ্যসূচী মুকলি ডাঃ ভবেন চৌধুৰীৰ




**ই-সংবাদ, ২৫ ফেব্ৰুৱাৰীঃ** আজি আম আদমী পাৰ্টীয়ে মহানগৰীৰ বশিষ্ঠ চাৰিআলিস্থিত শিশু উদ্যান প্ৰাংগনত 'অসমতো কেজৰিৱাল' শীৰ্ষক কাৰ্যসূচী মুকলি কৰিছে৷ ১০ দিনীয়াকৈ চলিবলগীয়া 'অসমতো কেজৰিৱাল' কাৰ্যসূচী মুকলি কৰে ৰাজ্যিক সমিতিৰ সভাপতি ডাঃ ভবেন চৌধুৰীয়ে৷ কেইবা শতাধিক কৰ্মীৰ উপস্থিতিত ৰাজ্যিক সভাপতি তথা গুৱাহাটী লোকসভা সমষ্টিৰ আপৰ প্ৰাৰ্থী ডাঃ ভবেন চৌধুৰীয়ে দলটোৰ নেতা-কৰ্মীক ভোটাৰৰ কাষ চাপিবলৈ আহ্বান জনায়৷ অসমৰ ৰাইজে পৰিৱৰ্তন বিচৰা বুলি দাবী কৰি ডাঃ ভবেন চৌধুৰীয়ে আপ দলক অসমৰ ৰাইজৰ বিকল্প বুলি অভিহিত কৰে৷ নেতা-কৰ্মীক মানুহৰ ঘৰে ঘৰে গৈ আপৰ আদৰ্শ প্ৰচাৰ কৰিবলৈ আহ্বান জনাই চৌধুৰীয়ে৷ আপৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালে অসমৰ বাবে প্ৰদান কৰা এখন পত্ৰিকা উন্মোচন কৰে ভবেন চৌধুৰীয়ে। অসমতো কেজৰিৱাল অভিযানৰ সময়ত আপৰ স্বেচ্ছাসেৱকে মানুহৰ পদূলিয়ে পদূলিয়ে যাত্ৰা কৰিব৷ ৭ হাজাৰ স্বেচ্ছাসেৱকে এই যাত্ৰাত উপস্থিত থাকিব৷ স্বেচ্ছাসেৱকসকলে তিনিটা সমষ্টিৰ প্ৰতিটো ৱাৰ্ড আৰু চুবুৰীলৈ গৈ জনসভাৰ আয়োজন কৰি আপৰ প্ৰাৰ্থীক ভোট দিবলৈ আহ্বান জনাব। অসমতো কেজৰিৱাল কাৰ্যসূচীৰ শুভাৰম্ভ অনুষ্ঠানত মুখপাত্ৰ ড০ অনুৰূপা ডেকাৰজা, মিডিয়া কোষৰ মুৰব্বী জয়ন্ত কুমাৰ কলিতা উপস্থিত থাকে৷

## শেষ পৃষ্ঠা

# সন্তোষ ট্ৰফীত জয়ী অসম

**নাহৰলাগুণ, ২৫ ফেব্ৰুৱাৰীঃ** সন্তোষ ট্ৰফীত অসমে অৰুণাচল প্ৰদেশৰ বিৰুদ্ধে জয়লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰথম আৰ্ধৰ সাত মিনিটতে অগ্ৰগতি লাভ কৰা অসমে মেছখনত ২-০ গ'লত বিজয় সাব্যস্ত কৰে। খেলখনৰ দ্বিতীয়টো গ'ল আহে ইঞ্জুৰি টাইমত। ইয়াত চলি থকা ৭৭ সংখ্যক সন্তোষ ট্ৰফীৰ গ্ৰুপ 'এ' থকা অসমে তিনিখন খেলৰ দুখনত জয়ীহৈ ছয় পইণ্টৰে তালিকাত তৃতীয় স্থানত আছে। উল্লেখ্য যে সন্তোষ ট্ৰফীত অসমে অৰুণাচলৰ বিৰুদ্ধে এইলৈ খেলা ছয়খন মেছৰ চাৰিখনত জয়ী হোৱাৰ বিপৰীতে দুখন ড্ৰ খেলিছে।



# ১০ মাৰ্চৰ পৰা এটিপিএ শ্বিল্ড ফুটবল

**ই-সংবাদ, যোৰহাট, ২৫ ফেব্ৰুৱাৰীঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অহা ১০ মাৰ্চৰ পৰা অনুষ্ঠিত হ'ব এটিপিএ শ্বিল্ড ফুটবল প্ৰতিযোগিতা। যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া ঐতিহ্যমণ্ডিত প্ৰতিযোগিতাখনৰ অন্ত পৰিব অহা ২২ মাৰ্চত। এইবাৰ প্ৰতিযোগিতাখনত মুঠ ১২ টা দলে যোগদান কৰিব বুলি জানিব পৰা গৈছে। এই দলসমূহৰ ভিতৰত আছে অইল ইণ্ডিয়া একাদশ, দুলীয়াজান, এ এচ ই বি, গুৱাহাটী, আচাম পুলিচ ব্লুজ, নাগালেণ্ড পুলিচ, আছাম ৰাইফলছ আৰু ডিফেণ্ডিং চেম্পিয়ন ইউনাইটেড চিৰাংদুৱাৰ এফচি। উল্লেখ্য যে, সৰ্বভাৰতীয় এই ফুটবল প্ৰতিযোগিতাখন ১৯৫৫ চনৰ পৰা অনুষ্ঠিত হৈ আহিছে।



Ads Via G-Adsense

# ৰাঁচীত ইংলেণ্ডৰ বিৰুদ্ধে জয়ৰ দিশে অগ্ৰসৰ ভাৰত

**ৰাঁচী, ২৫ ফেব্ৰুৱাৰীঃ** ইংলেণ্ডৰ বিৰুদ্ধে খেলা শৃংখলাৰ চতুৰ্থ টেষ্টত জয়ৰ দিশত অগ্ৰসৰ হৈছে টিম ইণ্ডিয়া। চতুৰ্থ ইনিংছত ১৯২ ৰানৰ জয়ৰ লক্ষ্য লৈ সুন্দৰ আৰম্ভণি কৰিছে দুই অপেনিং বেটাৰ ৰোহিত শৰ্মা আৰু যশস্বী জয়চোৱাল। দিনান্তত আঠ অভাৱ বেটিং কৰি কোনো উইকেট নেহেৰুৱাকৈ সংগ্ৰহ কৰে ৪০ ৰান। ৰোহিতে ৪০ আৰু যশস্বীয়ে ১৬ ৰানত বেটিং কৰি আছে। হাতত দুটা দিন থকা অৱস্থাত টিম ইণ্ডিয়াক জয়ৰ বাবে আৰু ১৫২ ৰানৰ প্ৰয়োজন। প্ৰথম ইনিংছত ৪৬ ৰানৰ অগ্ৰগতি লাভ কৰা ইংলেণ্ডে দ্বিতীয় ইনিংছত ৫৩.৫ অভাৰত কেৱল ১৪৫ ৰান সংগ্ৰহ কৰে। ইংলেণ্ডৰ এই পতনৰ মূলত ৰবীচন্দ্ৰন অশ্বিন আৰু কুলদীপ যাদৱৰ স্পিন বলিং। ভ্ৰমণকাৰী দলটোৰ হৈ জেক ক্ৰাউলীয়ে সৰ্বাধিক ৬০ ৰান কৰে। অশ্বিনে পাঁচটা আৰু কুলদীপে চাৰিটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে নিজৰ প্ৰথম ইনিংছ দ্বিতীয় দিনৰ সাত উইকেটত ২১৯ ৰানৰ পৰা খেলিবলৈ আৰম্ভ কৰি ২০৩.২ অভাৰত ৩০৭ ৰান সংগ্ৰহ কৰিবলৈ সক্ষম হয়। ভাৰতৰ হৈ উইকেট ৰক্ষক ধ্ৰুৱ জোৰেলে সৰ্বাধিক ৯০ ৰান কৰি অন্তিম বেটাৰ হিচাপে আউট হয়। তেওঁ তলৰ শাৰীৰ বেটছমেনৰ সতে লগলাগি দলীয় ইনিংছ আগবঢ়াই নিয়িত ইংলেণ্ডৰ অগ্ৰগতি কিছু কম হয়। প্ৰথম ইনিংছত ৪৬ ৰানত পিছপৰা ভাৰতে ইংলেণ্ডৰ দ্বিতীয় ইনিংছত ত্ৰাসৰ সৃষ্টি কৰে। মাত্ৰ ১৯২ ৰানৰ জয়ৰ লক্ষ্যলৈ এতিয়ালৈ এটাও উইকেট নেহেৰুৱা টিম ইণ্ডিয়াৰ জয় প্ৰায় নিশ্চিত। আজিৰ দিনটোত মুঠ ১৩টা উইকেটৰ পতন ঘটে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান
ই-মেইলঃ newsnextne@gmail.com